## গুণ আৰু ৰীতি :

ৰসসমূহৰ উপলব্ধিত চিত্তত একপ্ৰকাৰ বিশেষৰূপ অৱস্থা অনুভৱ হয়, সেই অৱস্থা বা ভাৱ ওপজাত যি অনুভৱসিদ্ধ ধৰ্মই সহায় কৰে তাকে গুণ বোলে।

কাব্যত গুণৰ স্থান :

১। সাহিত্য বা কাব্যত ই শব্দ আৰু অৰ্থক আশ্ৰয় কৰি থাকে।
২। ই শব্দ আৰু অৰ্থৰ সহায়ত কাৰ্য সম্পাদন কৰে।
৩। ৰসৰ লগত গুণ অবিচ্ছেদ্যভাৱে থাকে।
৪। কাব্যৰ শোভাবৰ্ধন কৰা গুণৰ মুখ্য উদ্দেশ্য।
৫। ই স্থূল অৰ্থত ধৰ্ম আৰু উৎকৰ্ষ সাধনৰ হেতু।

গুণবাদৰ প্ৰধান সমৰ্থক আচাৰ্য বামনৰ মতে, গুণবোৰ কাব্যত আৰ্জনৰ বাবে প্ৰয়োজনীয়, কাৰণ ইয়াৰ অবিহনে কাব্যৰ শোভা ফুটি নুঠে। উদাহৰণস্বৰূপে এজন ধুনীয়া মানুহক কৈছিল - 'সি বৰ ধুনীয়া' আৰু এজন দেখিবলৈ বেয়া মানুহক কৈছিল - 'সি বৰ ধুনীয়া' বুলি কোৱা হয়।

সেয়ে বামনে কৈছে —

কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মাঃ
গুণাঃ : তদতিশয়হেতৱস্তুলংকাৰাঃ।

অৰ্থাৎ গুণে কাব্যশোভাৰ সৃষ্টি কৰে- অলংকাৰে- গুণে সৃষ্টি কৰা শোভাক বঢ়াই তোলে।

## গুণৰ প্ৰকাৰ :

মম্মটভট্ট আৰু ভামহে গুণক তিনিটা ভাগত ভাগ কৰিছে — মাধুৰ্য্য, ওজঃ আৰু প্ৰসাদ।

১। কাব্যৰ ৰসাস্বাদনৰ ফলত মনত যি আনন্দ পোৱা যায় সেয়াই মাধুৰ্য্য গুণত পৰে। উদাহৰণ —

"মেঘৰ গৰ্জন শুনি নিজা গৰে নাদ / ইয়ে হ'ল [illegible]
দিশতে সুমতি ৰামে জগন্ত বিষাদ।/ আলেখ্যৰী অবিহনে [illegible]

Scanned with CamScanner

বীৰ, বিভৎস আৰু ৰৌদ্ৰৰসৰ অনুভূতিৰদ্বাৰা যেতিয়া মন প্ৰজ্বলিত হয় আৰু চিত্তক উত্তেজিত কৰি তোলে ঘুলিৰ পাছে, তাকেই ওজঃ গুণ বোলে। উদাহৰণ -

একে অন্ধকাৰে ৰাত্ৰি তাতে উঠে ধূলি
পিশাচে আমুৰি যায় ওই যোন বুলি
শৃগালৰ ফিদি ফিদি ভালুকৰ টেঁটি
ভূত-প্ৰেত পিশাচে লাগয় বেৰি বেঢ়ি
— মহাভাৰত

প্ৰসাদ গুণ হৈছে নিৰ্মল আৰু স্বচ্ছ। অৰ্থাৎ প্ৰসাদযুক্ত কাব্যই মনত প্ৰশান্তি প্ৰদান কৰে। উদাহৰণ -

নোহেও যেতিয়া হয়। সুৰ্দীন মোৰ
একেথৰে থাকে চাই হেঁপাহ চকুৰে,
চকুত পৰিলে চকু অধৰ অলসৰ
ধৰাপৰা চমকনি যাই।

# ৰীতি

সংস্কৃত অলংকাৰশাস্ত্ৰত ৰীতিৰ বিষয়ে বিস্তৃত আলোচনা পোৱা যায়। ৰীতি শব্দটিৰ ব্যুৎপত্তিৰ বিষয়ে 'সৰস্বতীকণ্ঠাভৰণ' গ্ৰন্থত ভোজৰাজে কৈছে - "ৰীঙ্ গতাবিতি ধাতোঃ সা ব্যুৎপত্ত্যা ৰীতিৰুচ্যতে", অৰ্থাৎ যাৰদ্বাৰা গতি কৰা হয় তাকে ৰীতি বোলে। ভোজৰাজে ৰীতি বিষয়ত 'মাৰ্গ' শব্দ ব্যৱহাৰ কৰি বিদৰ্ভ আদি দেশত প্ৰচলিত কাব্য গতিৰ পন্থাক বুজাইছে। এই ধাৰণা অনুসৰি ৰীতি শব্দটোৱে কাব্য ৰচনাৰ ধৰণ বা পন্থাকেই বুজায়। 'সাহিত্য দৰ্পণ' গ্ৰন্থত বিশ্বনাথ কবিৰাজে কৈছে — 'পদসংঘটনা ৰীতিৰঙ্গসংস্থাবিশেষৱৎ। উপকৰ্ত্ৰী ৰসাদীনাম্ সা পুনঃ স্যাচ্চতুৰ্বিধা"। ইয়াৰ অৰ্থ হ'ল - মানুহৰ শৰীৰত হাত ভৰি আদি অৱয়ৱৰ সন্নিৱেশৰ দৰে শব্দাৰ্থ শৰীৰযুক্ত কাব্যত যথাস্থানত পদসমূহৰ যোজনেই হ'ল ৰীতি। ৰীতি কাব্যৰ আত্মৰূপী ৰসৰ উপকাৰ সাধন কৰে। বিশ্বনাথ কবিৰাজৰ মতে ৰীতি চাৰিবিধ — বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আৰু লাটী। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীয়ে কৈছে - অন্তৰৰ শৌৰ্য-বীৰ্য আদি গুণসমূহ যাৰদ্বাৰা স্ফূৰ্তি উঠে, কাব্যৰ তেনে অংগসংস্থান বা গঠনেই হ'ল ৰীতি। দণ্ডীয়ে নানা প্ৰকাৰৰ ৰীতিৰ কথা ক'লেও 'কাব্যাদৰ্শ' গ্ৰন্থত কেৱল বৈদৰ্ভী আৰু গৌড়ী ৰীতিহে আলোচনা কৰিছে। ভোজে আকৌ চাৰিবিধ ৰীতিৰ লগত অৱন্তিকা আৰু মাগধী ৰীতিৰ সংযোজন কৰিছে।

বৈদৰ্ভী ৰীতি প্ৰসংগত বিশ্বনাথ কবিৰাজে কৈছে—

'মাধুৰ্য্যব্যঞ্জকৈৰ্বৰ্ণৈ ৰচনা ললিতাত্মিকা।
অবৃত্তিৰল্পবৃত্তিৰ্বা বৈদৰ্ভী ৰীতিৰিষ্যতে॥" — মাধুৰ্যগুণ প্ৰকাশক বৰ্ণৰ সহযুক্ত সুন্দৰ, সমাসহীন বা অলপ সমাসবিশিষ্ট ৰচনাকেই বৈদৰ্ভী ৰীতি বোলে। বামনাচাৰ্যৰ মতে, কাব্যগুণসমূহ য'ত থাকে আৰু কোনো এটা কাব্যগুণৰো অভাৱ য'ত পোৱা নাযায় তাকে বৈদৰ্ভী ৰীতি বোলে। গৌড়ী ৰীতিৰ প্ৰসংগত বিশ্বনাথ কবিৰাজে কৈছে -

" ওজঃ প্ৰকাশকৈৰ্বৰ্ণৈৰ্বন্ধ আড়ম্বৰঃ পুনঃ
সমাসবহুলা গৌড়ী ....।" — ওজঃ প্ৰকাশক বৰ্ণৰে উদ্ভট ৰচনাসমৃদ্ধ, সমাসৰ বাহুল্যযুক্ত ৰীতিয়েই হ'ল গৌড়ী ৰীতি। পাঞ্চালী ৰীতিৰ লক্ষণ প্ৰসংগত বিশ্বনাথ কবিৰাজে কৈছে —

Scanned with CamScanner

" বৰ্ণৈঃ শেষৈঃ পুনৰ্দ্বয়োঃ ।
সমস্ত-পঞ্চষ-পদোবন্ধঃ পাঞ্চালিকা মতা ।"

— মাধুৰ্য গুণ প্ৰকাশ নকৰা, ওজঃ গুণ প্ৰকাশ নকৰা, মধ্যম পৰিমাণৰ সমাসবিশিষ্ট ৰচনাক পাঞ্চালী ৰীতি বোলে। কিন্তু ভোজৰাজে পাঞ্চালী ৰীতিৰ বিষয়ে অলপ বেলেগ ধৰণে কৈছে —

" সমস্তপঞ্চষপদামোজঃ কান্তিসমন্বিতাম্ ।
মধুৰাং সুকুমাৰঞ্চ পাঞ্চালীং কবয়ো বিদুঃ ।।"

— এই লক্ষণ অনুসৰি পাঁচ-ছয় সংখ্যক সমাসবদ্ধ পদযুক্ত, ওজঃ আৰু কান্তি গুণযুক্ত, মধুৰ আৰু সুকুমাৰ ৰচনাকেই পাঞ্চালী বুলি কোৱা হয়। গতিকে, দেখা গ'ল যে — পাঞ্চালী ৰীতি সম্পৰ্কে আলংকাৰিকসকলৰ মাজত মতভেদ আছে।

লাটী ৰীতি সম্পৰ্কে বিশ্বনাথ কবিৰাজে কৈছে —
" লাটী তু ৰীতিৰ্বৈদৰ্ভীপাঞ্চাল্যোৰন্তৰা স্থিতা।" — বৈদৰ্ভী আৰু পাঞ্চালী ৰীতিৰ মাজত থকা ৰীতিক লাটী ৰীতি বোলে।

— গতিকে দেখা যায় যে — ৰীতি সম্পৰ্কে সংস্কৃত আলংকাৰিকসকলে সদায় একে ধৰণৰ ব্যাখ্যা আগবঢ়োৱা নাই।

Scanned with CamScanner